জাতিৰ সেৱাত উৎসৰ্গিত (৬০) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

। ৬০ বছৰ । ৩৩৬ সংখ্যা, ৩০ আহাৰ, মঙলবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 336। DIBRUGARH, TUESDAY, JULY 15, 2025 । পৃষ্ঠা ১৬ (Pages 16) ।

## কানৈ মহাবিদ্যালয়ৰ স্বায়ত্তশাসিত অধ্যয়ন পৰিষদৰ প্ৰথমখন বৈঠক সম্পন্ন

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১৪ জুলাই** ঃ চলিত বৰ্ষৰ ১৭ এপ্ৰিলত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাৰ পাছত ৮ জুলাইত পোন প্ৰথমবাৰৰ বাবে হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰথমখন অধ্যয়ন পৰিষদৰ বৈঠক অনুষ্ঠিত হয়। ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডঃ বিৰাজ দত্তই আঁত ধৰা অধ্যয়ন পৰিষদৰ প্ৰথমখন বৈঠকত সভাপতিত্ব কৰে বিভাগৰ মুৰব্বী তথা ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যয়ন পৰিষদৰ অধ্যক্ষ ডঃ লামখ'লাল ডঙ্গেলে। সভাৰ প্ৰথম কাৰ্যসূচী হিচাপে অধ্যয়ন পৰিষদৰ প্ৰতিগৰাকী নিমন্ত্ৰিত সদস্যক বিভাগৰ তৰফৰপৰা আদৰণী জনোৱা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰসংগত উল্লেখ কৰে যে কানৈ মহাবিদ্যালয়ৰ ইতিহাসত এই দিনটো চিৰস্মৰণীয় হৈ ৰ'ব। স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাৰ পাছত কানৈ মহাবিদ্যালয়ে শৈক্ষিক দিশৰ উৎকৰ্ষ সাধনৰ কাৰণে বিভিন্ন প্ৰকাৰৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে প্ৰতিটো বিভাগৰ অধ্যয়ন পৰিষদ গঠন কৰি নিজা পাঠ্যক্ৰম প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীসকলক স্বকীয়তা প্ৰদান কৰাৰ প্ৰচেষ্টাৰে বিভিন্ন বিভাগৰ অধ্যয়ন পৰিষদৰ বৈঠক অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডীন, ছ'চিয়েল চায়েন্স আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ডঃ ডলী ফুকনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ মনোনীত প্ৰতিনিধি হিচাপে থাকি বিভিন্ন শৈক্ষিক বিষয়ৰ ওপৰত আলোকপাত কৰাৰ লগতে কোনবিলাক বিষয়ত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব, তাৰ বিষয়ে বিস্তৃত ৰূপত আলোকপাত কৰে। সমান্তৰালভাৱে ডঃ ফুকনে ৰাজনীতি বিজ্ঞান বিভাগৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰচলিত আৰ্হি আৰু কানৈ মহাবিদ্যালয়ে প্ৰস্তুত কৰি উলিওৱা শৈক্ষিক পৰিষদৰ নিয়মাৱলী অৱলম্বন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব পৰাকৈ পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। সভাত বিষয় বিশেষজ্ঞ হিচাপে উপস্থিত থাকে ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী ডঃ জিতু বৰা আৰু অনলাইনযোগে উপস্থিত থাকে তিনিচুকীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ডঃ ৰশ্মি দত্ত। উদ্যোগিক আৰু আনুসংগিক খণ্ডৰ মনোনীত সদস্য হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলাৰ কাঠফুলাৰ বিশেষজ্ঞ তথা উদ্যোগী কৃষ্ণ শইকীয়া। উক্ত সভাত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, শৈক্ষিক পৰিষদৰ সদস্য সচিব ডঃ জ্যোতি প্ৰসাদ ফুকন, সহকাৰী সদস্য সচিব ডঃ নিতুমণি শইকীয়া, পৰীক্ষা নিয়ন্ত্ৰক ডঃ মৃদুল শৰ্মা, ৰাজনীতি বিজ্ঞানৰ জ্যেষ্ঠ অধ্যাপিকা ডঃ নিৰ্মালি পেগু, অধ্যাপক শিৱনাথ চুতীয়া উপস্থিত থাকে। সভাৰ শেষত বিভাগৰ মুৰব্বী ডঃ ডঙ্গেলে সভাত উপস্থিত থকা প্ৰতিগৰাকী সদস্যক ধন্যবাদ আৰু শলাগ জ্ঞাপন কৰে। উল্লেখ্য যে মহাবিদ্যালয়ৰ চিন স্বৰূপে অধ্যক্ষ ডঃ শইকীয়াই অধ্যয়ন পৰিষদৰ নিমন্ত্ৰিত প্ৰতিগৰাকী সদস্যক একোটাকৈ কিতাপৰ টোপোলা প্ৰদান কৰে।

